# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-08-2025 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

--------------------

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ বাবে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ত আজি ৰাজ্যৰ বিভিন্ন স্থানত আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰিব। আজি উচ্চতৰ শিক্ষা আৰু SCERTৰ বাবে আবেদন পত্ৰ বিতৰণ কৰা হ'ব। মাধ্যমিক শিক্ষাৰ বাবে ৭, ৮ আৰু ৯ আগষ্টত আবেদন পত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে মাহিলী এহেজাৰ টকা, স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীয়ে মাহিলী এহেজাৰ ২৫০ টকা আৰু স্নাতকোত্তৰ আৰু বিএডৰ ছাত্ৰীয়ে মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ছাত্ৰীসকলে বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক দহ মাহৰ বাবে এই সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত এক লাখ ৬০ হাজাৰ ছাত্ৰীক ১৩৩ কোটি টকা বিতৰণ কৰা হৈছিল। ২০২৫-২৬ বৰ্ষত ৪ লাখ ছাত্ৰীক নিযুত মইনা আঁচনিত সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ, শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই অভিলাষী আঁচনি গ্ৰহণ কৰিছে।

০০০০০০০০

উৰিয়ামঘাটৰ সংৰক্ষিত বনাঞ্চলত চলি থকা উচ্ছেদ অভিযানৰ মাজতে গুৱাহাটী উচ্চ ন্যায়ালয়ে ৭৫টা পৰিয়ালক সাময়িক সকাহ প্ৰদান কৰিছে। উচ্চ ন্যায়ালয়ে এখন আবেদনৰ শুনানি লৈ এই পৰিয়ালকেইটাক ১০ দিনৰ সময় প্ৰদান কৰি সংৰক্ষিত বনাঞ্চলৰ ভূমিৰ পৰা ১৪ আগষ্টৰ ভিতৰত আঁতৰি যাবলৈ নিৰ্দেশ দিয়ে। উচ্চ ন্যায়ালয়ে লগতে গোচৰীয়া লোকসকলে বনাঞ্চল দখল কৰা সন্দৰ্ভত বন বিভাগক এখন শপতনামা দাখিল কৰিবলৈও নিৰ্দেশ দিয়ে। ইপিনে কালিৰ শুনানিত গোচৰীয়া পক্ষৰ লোকসকলে চৰকাৰে তেওঁলোকক বাসগৃহকে ধৰি বিভিন্ন চৰকাৰী আঁচনিৰ সা-সুবিধা প্ৰদান কৰা বুলি আদালতক অৱগত কৰে। সেই অনুসৰি ন্যায়ালয়ে পৰৱৰ্তী শুনানিত এই সন্দৰ্ভত কোনো তথ্য থাকিলে দাখিল কৰিবলৈ তেওঁলোকক সুযোগ দিয়ে।

ইপিনে মেৰাপানীৰ নেঘেৰিবিলৰ দখলিকৃত ভূমিত ৰাজ্য চৰকাৰে উচ্ছেদ চলোৱাৰ পাছতে অঞ্চলটোৰ ভূমি নগাসকলৰ বুলি সীমান্তৰ তিনিখন নগাবস্তিৰ কাউন্সিলে মন্তব্য কৰাৰ পাছত ৰাজ্যৰ বিভিন্ন দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। যোৱা সোমবাৰে নাগালেণ্ডৰ একাংশ লোকে সৰুপথাৰৰ গেলাজান আৰু ২ নম্বৰ ৰজাপুখুৰী তেওঁলোকৰ বুলি দাবী কৰিছিল। কালি মেৰাপানী সীমান্তৰ নেঘেৰিবিলৰ সমীপৱৰ্তী তিনিখন নগা বসতিপ্ৰধান গাঁৱৰ ভিলেজ চেয়াৰমেনে নেঘেৰিবিলৰ ভূমি নগালেণ্ডৰ বুলি দাবী কৰি এটা ভিডিঅ' মুকলি কৰে। তেওঁলোকে নেঘেৰিবিলৰ বনভোজথলীত ৰাজ্যৰ বিভিন্ন ঠাইৰ লোকে বনভোজ খাই অহা কাৰ্য এতিয়াৰে পৰা বন্ধ কৰা হ'ব বুলি কৰা ঘোষণাক অসমৰ কেইবাটাও সংগঠনে গৰিহণা দিছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলে এই বিষয়ত সাংবাদিকৰ আগত প্ৰকাশ কৰি দখলমুক্ত এলেকাত অসম আৰক্ষীৰ নিয়মীয়া তহলৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়। তদুপৰি নেঘেৰিবিলত সোনকালে

অসম বেটেলিয়নৰ এটা স্থায়ী শিবিৰ নিৰ্মাণৰো তেওঁলোকে দাবী তোলে। এই স্পৰ্শকাতৰ সীমান্ত অঞ্চল ৰাজ্যখনৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰত থকা হেতুকে বিষয়টো লৈ নিশ্চয়তা প্ৰদান কৰিবলৈ তেওঁলোকে মুখ্যমন্ত্ৰীক দাবী জনায়।

oooooooo

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰ সমজিলা আয়ুক্ত কাৰ্যালয়ত কলিয়াবৰ সংমণ্ডলৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াবৰ্গৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বিভাগটোৰ সৈতে জড়িত বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰা হয়। বৈঠকত কলিয়াবৰৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱা, বিভাগীয় বিষয়া অভিযন্তা আৰু সমজিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। লগতে মন্ত্ৰীগৰাকীয়ে অসম সমবায় মৰাপাট কল পৰিসীমিতৰ বিষয়াৰ সৈতেও এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মৰাপাট কলটোৰ বিভিন্ন ধৰণৰ উন্নয়ন দিশৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। একেটা কাৰ্যালয়ৰ সভাকক্ষতে মন্ত্ৰী মহন্তই সংহত শিশু উন্নয়ন প্ৰকল্প সন্দৰ্ভত সংশ্লিষ্ট বিষয়াসকলৰ সৈতেও আন এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বিভাগীয় বিষয়া-অভিযন্তাসকলৰ সৈতে মন্ত্ৰীগৰাকীয়ে সংহত শিশু উন্নয়ন প্ৰকল্প সন্দৰ্ভত বিশদভাৱে আলোচনা কৰে।

oooooooo

ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যান তথা জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে কালি যোৰহাট জিলাৰ বাহগুৰি-ছগুৰি এলেকাৰ জলসিঞ্চন প্ৰকল্পটো পৰিদৰ্শন কৰে। তেওঁ লগতে ন-বৰাচুক আদৰ্শ চিকিতসালয় ৰাইজৰ নামত উতসৰ্গা কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয় যে  চিকিতসালয়ৰ লগত ৰাইজ সংপৃক্ত হৈ থাকিব লাগিব। চৰকাৰী চিকিতসালয়ৰ প্ৰতি ৰাইজৰ নতুন  আশা আহিছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত যোৰহাটৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কৰ্মী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, যুটীয়া সেৱা সঞ্চালকৰ মাখন শইকীয়া প্ৰমুখ্যে ভালেসংখ্যক  বিশিষ্ট ব্যক্তি উপস্থিত থাকে।  পাছত মন্ত্ৰীগৰাকীয়ে মৰিয়ণিত চিৰাখাটি প্ৰৱাহিত জলসিঞ্চন আঁচনিৰ নলা নিৰ্মাণ আৰু উন্নীতকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰে।

oooooooo

নগাঁও জিলা দণ্ডাধীশে কালি এটা নিৰ্দেশযোগে কলিয়াবৰ ৰাজহচক্ৰৰ অন্তৰ্গত লুংচুং চাহ বাগিচাৰ বনভোজ থলী আৰু হদহদী জলপ্ৰপাতত বনভোজ আৰু সাঁতোৰাত সাময়িকভাৱে নিষিদ্ধ ঘোষণা কৰিছে। জলপ্ৰপাতলৈ যোৱা সকলো ধৰণৰ যান-বাহন চলাচল কৰাতো বাধা প্ৰদান কৰিছে।

oooooooo

সমাপ্ত